# REGIONAL NEWS UNIT

AKASHVANI, GUWAHATI

0000000000

**Date : 28-12-2025**

**Time :** 21-25 Hrs

## ASSAMESE NIGHT BULLETIN

::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহ আজি দুদিনীয়া ভ্ৰমণসূচীৰে অসমলৈ আহিব। ভ্ৰমণকালত শ্ৰীশ্বাহে গুৱাহাটী আৰু বটদ্ৰবাত কেইবাটাও গুৰুত্বপূৰ্ণ কাৰ্যসূচীত অংশগ্ৰহণ কৰিব। তেওঁ কাইলৈ নগাঁও জিলাৰ বটদ্ৰৱাত অসম চৰকাৰে নতুনকৈ নিৰ্মাণ কৰি উলিওৱা ঐতিহাসিক বটদ্ৰৱা প্ৰকল্প উদ্বোধন কৰিব।

গৃহমন্ত্ৰীগৰাকীৰ উপস্থিতিত বটদ্ৰবা প্ৰকল্প উদ্বোধনী অনুষ্ঠানৰ বাবে প্ৰস্তুতি প্ৰায় সম্পূৰ্ণ হৈছে। মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই আজি বটদ্ৰবা প্ৰকল্পস্থলী পৰিদৰ্শন কৰি কাইলৈ উদ্বোধনী অনুষ্ঠানৰ প্ৰস্তুতিৰ বুজ লয়। প্ৰায় ২২২ কোটি টকা ব্যয়েৰে নিৰ্মাণ কৰা বটদ্ৰবা সাংস্কৃতিক প্ৰকল্প কাইলৈ উদ্বোধন কৰা হ'ব যদিও জনতাৰ বাবে ১ ফেব্ৰুৱাৰীত মুকলি কৰা হ'ব বুলি তেওঁ উল্লেখ কৰে। বটদ্ৰবা সাংস্কৃতিক প্ৰকল্প, গুৱাহাটীৰ শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰ পৰিচালনা সমিতিয়ে পৰিচালনা কৰিব বুলি তেওঁ উল্লেখ কৰে।

মুখ্যমন্ত্ৰীৰ এই পৰিদৰ্শন কালত মন্ত্ৰী কেশৱ মহন্ত, পীযুষ হাজৰিকা, বিমল বৰাৰ উপৰি জিলা আয়ুক্ত দেৱাশীষ শৰ্মা আৰু উচ্চপদস্থ বিষয়াসকল উপস্থিত থাকে।

গৃহমন্ত্ৰী শ্ৰী শ্বাহে কাইলৈ গুৱাহাটীৰ নতুন আৰক্ষী আয়ুক্তালয় আৰু খানাপাৰাত নৱ নিৰ্মিত জ্যোতি বিষ্ণু প্ৰেক্ষাগৃহ উদ্বোধন কৰিব। ৫ হাজাৰ খন আসনযুক্ত এই প্ৰেক্ষাগৃহ উত্তৰ পূৰ্বাঞ্চলৰ অন্যতম বৃহৎ প্ৰেক্ষাগৃহ হিচাপে পৰিগণিত হ'ব। মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাৰ উপস্থিতিত কেন্দ্ৰীয় গৃহমন্ত্ৰীগৰাকীয়ে কাইলৈ বিয়লি ৪ বজাত আয়োজিত এটা অনুষ্ঠানত প্ৰেক্ষাগৃহটো উদ্বোধন কৰিব। আৰক্ষী আয়ুক্তালয়ৰ নৱনিৰ্মিত ৮ মহলীয়া ভৱনটো উন্নত প্ৰযুক্তিৰে সজ্জিত কৰা হৈছে। ইয়াত অন্যান্য সা-সুবিধাৰ লগতে গুৱাহাটী স্মাৰ্ট ছিটি প্ৰকল্পৰ জৰিয়তে নিৰ্মিত মহানগৰীৰ দুহেজাৰৰো অধিক চি চি টিভি নিৰীক্ষণৰে সমৃদ্ধ সংহত নিয়ন্ত্ৰণ আৰু নিৰ্দেশনা কেন্দ্ৰ থাকিব। ভৱনটোৰ চতুৰ্থ মহলাত থকা এই কেন্দ্ৰটো গৃহমন্ত্ৰীগৰাকীয়ে আনুষ্ঠানিকভাৱে মুকলি কৰিব। আয়ুক্তালয় উদ্বোধনৰ পাছতে শ্ৰীশ্বাহে নতুন ফৌজদাৰী আইন ৰূপায়ণৰ দিশত অসমে গ্ৰহণ কৰা ব্যৱস্থা সন্দৰ্ভত আয়োজিত এখন প্ৰদৰ্শনী পৰিদৰ্শন কৰিব।

০০০০০০০

শ্ৰমিক কল্যান মন্ত্ৰী ৰূপেশ গোৱালাই আজি সমজিলা সম উন্নয়নৰ বাৰ্তাৰে মানকাচৰ জিলা পৰিদৰ্শন কৰে। মন্ত্ৰীগৰাকীয়ে আজি বিয়লি জিলাখনৰ হাটশিঙিমাৰীত উপস্থিত হৈ এখন পৰ্যালোচনা সভাত অংশগ্ৰহণ কৰে।

**বাইট**

জিলাখনৰ বিভিন্ন বিভাগৰ সমস্যা সম্পৰ্কে তেওঁ আলোচনা কৰে। ৰাজ্য চৰকাৰৰ শ্ৰম বিভাগৰ আয়ুক্ত অনন্ত লাল জ্ঞানীৰ লগতে আন কেইবাগৰাকী বিষয়া মন্ত্ৰী গোৱালাৰ লগত উপস্থিত থাকে। ৰাজ্য চৰকাৰৰ প্ৰতিটো বিভাগৰ মন্ত্ৰীয়ে ইতিমধ্যে সমজিলা সম উন্নয়নৰ বাৰ্তাৰে জিলাখন পৰিদৰ্শন কৰিছে।

০০০০০০০

বৈদেশিক পৰিক্ৰমা ৰাজ্যমন্ত্ৰী পবিত্ৰ মাৰ্ঘেৰিটাই আজি শিৱসাগৰত ছাফাই কৰ্মীসকলৰ সৈতে এটা মত বিনিময় অনুষ্ঠানত অংশগ্ৰহণ কৰে। শিৱসাগৰ, যোৰহাট, তিনিচুকীয়া, শিমলুগুৰি আৰু মৰিয়নিৰ পৰা অহা ছাফাই কৰ্মীসকলৰ সৈতে মত বিনিময় কৰি মন্ত্ৰীগৰাকীয়ে তেওঁলোকৰ বিভিন্ন সমস্যাৰাজিৰ বুজ লোৱাৰ লগতে কণ কণ ছাত্ৰ-ছাত্ৰীসকলৰ মাজত স্কুল বেগ বিতৰণ কৰে।

০০০০০০০

গুৱাহাটীৰ মালিগাঁৱৰ বৰিপাৰাত আয়োজিত এটা অনুষ্ঠানত আজি উচ্চ আৰু উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত কৃতিত্ব লাভ কৰি উত্তীৰ্ণ হোৱা শিক্ষাৰ্থীসকলক সম্বৰ্ধনা জনোৱা হয়। জালুকবাৰী সমষ্টিৰ বিধায়ক তথা মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ উদ্যোগত আয়োজিত এই অনুষ্ঠানত মুখ্যমন্ত্ৰী ড০ শৰ্মাই অংশ লৈ কয়, যে ২০০২ চনত ২৮৮ গৰাকী শিক্ষাৰ্থীকহে এই অনুষ্ঠানত সম্বৰ্ধনা জনোৱা হৈছিল। সম্প্ৰতি শিক্ষাৰ্থীৰ সংখ্যা আশাপ্ৰদভাৱে বৃদ্ধি পাইছে বুলি তেওঁ উল্লেখ কৰে।

০০০০০০০

ধেমাজী জিলাৰ গোগামুখত অসম নাট্য সন্মিলনৰ স্বৰ্ণপীঠ মণ্ডলৰ নাট সমাৰোহৰ দ্বিবাৰ্ষিক অধিবেশন আৰু পূৰ্ণাংগ নাট প্ৰতিযোগিতা অনুষ্ঠিত হৈছে। আজি দ্বিতীয় দিনাৰ কাৰ্যসূচীৰ মুকলি সভাত ৰাজ্য চৰকাৰৰ শিক্ষা, ভৈয়াম জনজাতি আৰু পিছপৰা শ্ৰেণী কল্যান বিভাগৰ মন্ত্ৰী ডাঃ ৰণোজ পেগু উপস্থিত থাকি নাট্যপ্ৰেমী ৰাইজৰ সৈতে ৰাইজৰ সৈতে মত বিনিময় কৰে।

০০০০০০০

গুৱাহাটী লোকসভা সমষ্টিৰ সাংসদ বিজুলী কলিতা মেধীয়ে আজি শিলপুখুৰীত স্থানীয় ৰাইজৰ সৈতে অঞ্চলটোৰ বিভিন্ন সমস্যা সন্দৰ্ভত মত বিনিময় কৰাৰ লগতে সমাধানৰ আশ্বাস দিয়ে। বৃহত্তৰ কৰ্নাচল উন্নয়ন সমিতিৰ উদ্যোগত আৰু কৰ্ণাচল মহিলা সংঘৰ  সহযোগত এই মত  বিনিময় কাৰ্যসূচী অনুষ্ঠিত হয়। মুখ্য অতিথি  হিচাপে উপস্থিত থাকি সাংসদগৰাকীয়ে স্থানীয় ৰাইজৰ সমস্যাসমূহ অগ্ৰাধিকাৰ ভিত্তিত সমাধান কৰা হ'ব বুলি তেওঁ আশ্বাস দিয়ে।

০০০০০০০

ওদালগুৰি জিলাৰ টংলা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ খেলপথাৰত লোহিত চন্দ্ৰ নাথ সোঁৱৰণি দ্বিতীয় বাৰ্ষিক আন্তঃবিদ্যালয়  প্ৰাইজমানি ক্ৰিকেট প্ৰতিযোগিতা আৰম্ভ হৈছে। টংলা যুৱ সংঘৰ উদ্যোগত আয়োজিত এই প্ৰতিযোগিতা বিটিচিৰ পাৰিষদ অৰ্জুন দৈমাৰীয়ে উদ্বোধন কৰে। ওদালগুৰি জিলাৰ বিভিন্ন বিদ্যালয়ৰ ক্ৰিকেট দলে প্ৰতিযোগিতাত অংশগ্ৰহণ কৰে।

০০০০০০০

**ঃঃ সমাপ্ত ঃঃ**